2023 SCC OnLine Gau 808 : (2023) 3 Gau LR 701 : (2023) 3 GLT

249

# গুৱাহাটী উচ্চ ন্যায়ালয়

## মহামান্য ন্যায়াধীশ শ্ৰীযুত  মাইকেল জোথানখুমা

## মহামান্য ন্যায়াধীশ শ্ৰীমতী মালাশ্ৰী  নন্দিৰ খণ্ড বিচাৰপীঠ

অশোক মুৰা ... আপীলকাৰী;

বনাম

অসম চৰকাৰ ... প্ৰতিপক্ষ

২০১৮ চনৰ চি আৰ এল.এ.নং ৩৮ (জে)।

ৰায়দানৰ তাৰিখ–৯ মাৰ্চ, ২০২৩ চন

দণ্ডবিধি, ১৮৬০, এছ. ৩০২ – আপীলকাৰীয়ে মৃতকক আক্ৰমণ কৰে– পিছত মৃতকে আঘাতৰ ফলত মৃত্যুক সাৱটি লয় – মৃতকে মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দী সত্য, স্বেচ্ছামূলক আৰু শুদ্ধ বুলি পোৱা গৈছে – মৃতকৰ মূৰত পিছফালৰ পৰা বাৰে বাৰে দাৰে আক্ৰমণ কৰা হয়, আপীলকাৰীয়ে অভিযোগ উত্থাপন কৰে যে মৃত ব্যক্তিজনে নিজৰ পুত্ৰক লগত লৈ আপীলকাৰীৰ পত্নীৰ সৈতে পলায়ন কৰিছিল– মৃতকক হত্যা কৰাৰ বাবে আপীলকাৰীৰ পূৰ্বপৰিকল্পনা আৰু উদ্দেশ্য – ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰা ৩০২ৰ অধীনত আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত নিম্ন আদালতৰ সিদ্ধান্তত কোনো ত্ৰুটী নাই – আপীল খাৰিজ

[দফা ২২ আৰু ৩৩]

ফৌজদাৰী বিচাৰ – মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দী–মৃত্যুৰ আগমুহুৰ্তত দিয়া মৌখিক জবানবন্দীয়ে দোষী সাব্যস্ত হোৱাৰ ভিত্তি গঠন কৰিব পাৰে, যদিহে জবানবন্দী দিওতাই কথা ক'ব পৰা অৱস্থাত থাকে – যদিহে ই সত্য আৰু শুদ্ধ হয় — মৃত্যুৰ আগমুহুৰ্তত দিয়া  মৌখিক জবানবন্দী সমৰ্থন কৰা প্ৰমাণ বাধ্যতামূলক নহয় যদিও

জবানবন্দীৰ নিৰ্ভৰযোগ্যতা শক্তিশালী কৰিবলৈ আদালতে অতিৰিক্ত প্ৰমাণ বিচাৰিব লাগে।

ফৌজদাৰী বিচাৰ – মৃত্যুৰ আগমুহূৰ্তত দিয়া জবানবন্দী - য'ত মৃতকৰ স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ নাথাকে, অভিযুক্তক দোষী সাব্যস্ত কৰাৰ উদ্দেশ্যে বিশ্বাস আৰু নিৰ্ভৰ কৰিব পাৰি, যদিহে উক্ত মৃত্যুৰ ঘোষণা সত্য হয়, স্বেচ্ছাই কৰা হয় আৰু আদালতৰ আস্থা জগাই তোলে–চিকিৎসকে লিপিবদ্ধ কৰা মৃত্যুৰ আগমুহূৰ্তৰ জবানবন্দী– চিকিৎসকে অন্তৰ্নিহিত প্ৰমাণৰ জৰিয়তে/ বা পৰোক্ষভাৱে তেওঁৰ জেৰাত প্ৰকাশ কৰে যে মৃত ব্যক্তিজনে কথা ক'ব পৰা অৱস্থাত আছিল আৰু মৃত্যুৰ আগমুহূৰ্তৰ জবানবন্দী দিব পাৰিছল– মৃত্যুৰ আগমুহূৰ্তৰ জবানবন্দীৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি।

ফৌজদাৰী বিচাৰ —চাক্ষুষ সাক্ষীৰ বিৱৰণীত পোৱা পাৰ্থক্য গুৰুত্বপূৰ্ণ নহ'লে সাক্ষীৰ প্ৰমাণৰ বিশ্বাসযোগ্যতাক প্ৰভাৱিত কৰিব নোৱাৰে।

[দফা ২৪]

আপীলকাৰীৰ অধিবক্তা: শ্ৰী বি. নাথ, জ্যেষ্ঠ অধিবক্তা/ ন্যায়মিত্ৰ

প্ৰতিপক্ষৰ অধিবক্তা: শ্ৰীমতী এছ. জাহান, অতিৰিক্ত চৰকাৰী অধিবক্তা, অসম।

উল্লেখ কৰা গোচৰ : একাদিক্ৰমে

বলবীৰ বনাম ভক্সিৰ, (২০১৪) ১২ এছ.চি.চি ৬৭০

পাৰবিন আলী বনাম অসম চৰকাৰ, (২০১৩) ২ এছ.চি.চি ৮১

সুকান্তি মহাৰানা বনাম উৰিষ্যা চৰকাৰ, (২০০৯) ৯ এছ.চি.চি ১৬৩

বাবু লাল বনাম মধ্যপ্ৰদেশ চৰকাৰ, (২০০৩) ১২ এছ.চি.চি ৪৯০

লক্ষ্মণ বনাম মহাৰাষ্ট্ৰ চৰকাৰ, (২০০২) ৬ এছ.চি.চি ৭১০

উত্তৰ প্ৰদেশ চৰকাৰ বনাম নৰেশ, (২০১১) ৪ এছ.চি.চি ৩২৪

লীলা ৰাম (মৃত)ৰ জৰিয়তে দুলি চান্দ বনাম হাৰিয়ানা ৰাজ্য, (১৯৯৯) ৯ এছ.চি.চি ৫২৫।

পানীবেন বনাম গুজৰাট ৰাজ্য, (১৯৯২) ২ এছ.চি.চি ৪৭৪

ৰায় প্ৰদান কৰে-

**ন্যায়াধীশ মাইকেল জোথানখুমাঃ-** আপীলকাৰীৰ হৈ বিজ্ঞ ন্যায়মিত্ৰ শ্ৰী বি. নাথ লগতে ৰাজ্যৰ হৈ হাজিৰ হোৱা বিজ্ঞ অতিৰিক্ত চৰকাৰী অধিবক্তা, শ্ৰীমতী এছ. নাথৰ যুক্তি সমূহ শুনা হ'ল।

২) এই আপীল দাখিল কৰা হৈছে ২৪.১.২০১৮ তাৰিখৰ বিজ্ঞ অতিৰিক্ত সত্ৰ ন্যায়াধীশ, ডিব্ৰুগড় এ ৬০/২০১৫ নং সত্ৰ গোচৰত প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশৰ বিৰুদ্ধে, যাৰ দ্বাৰা আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছে আৰু যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ড আৰু ১০,০০০/- টকাৰ জৰিমনা বিহা হৈছে আৰু জৰিমনাৰ অনাদায়ে ৬ (ছয়) মাহৰ অতিৰিক্ত সাধাৰণ কাৰাদণ্ডৰ সন্মুখীন হব লাগিব বুলি কোৱা হৈছে।

৩) অভিযোগৰ চমু বিবৰণী হৈছে যে গ্ৰীণ উড চাহ বাগিচাৰ ভাৰপ্ৰাপ্ত পৰিচালক অভিযোজন সাক্ষী-৮ এ (P.W.-8) ১১.১.২০১২ তাৰিখে লাহোৱাল আৰক্ষী নিবেশৰ অন্তৰ্গত মোহনবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত এফ.আই.আৰ দাখিল কৰিছিল। এফ. আই. আৰত উল্লেখ কৰা হৈছে যে লাইন চৌকিদাৰ, অভিযোজন সাক্ষী-১ য়ে খবৰ দিছিল যে সমৰু কৰ্মকাৰ (মৃতক)ক আপীলকাৰীয়ে ১০.১.২০১২ তাৰিখে আবেলি ৪ : ৩০ বজাত মাৰপিট কৰিছিল। ততাতৈয়াকৈ মৃত লোকজনক বাগিচাৰ হাস্পতাললৈ স্থানান্তৰ কৰা হয় আৰু তাৰপৰা তেওঁক অসম চিকিৎসা মহাবিদ্যালয় (এ. এম. চি. এইচ) ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হয়। পুৱা ৩ : ৩০ বজাত তেওঁক মৃত ঘোষণা কৰা হয়।

৪) এফ. আই. আৰ অনুসৰি মোহনবাৰী দৈনিক পঞ্জী নং ১৮৩ আৰু লাহোৱাল আৰক্ষী নিবেশৰ গোচৰ নং ৩/২০১২ নং পঞ্জীয়ন কৰা হয়। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত তদন্তকাৰী বিষয়াই আপীলকাৰীৰ বিৰুদ্ধে প্ৰথম দৰ্শনতে ভাৰতীয় দণ্ডবিধি

আইনৰ ধাৰা ধাৰা ৩০২ৰ অধীনত গোচৰটো প্ৰতিষ্ঠা হোৱা পাই অভিযোগনামা দাখিল কৰে।

৫) আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত অভিযোগ উত্থাপন কৰা হৈছিল, আৰু আপীলকাৰীয়ে নিজকে দোষমুক্ত বুলি দাবী কৰিছিল আৰু বিচাৰৰ সন্মুখীন হবলৈ বিচাৰিছিল।

৬) ইয়াৰ পিছত ৯ জন অভিযোজন সাক্ষীক (Prosecution witness) নিম্ন আদালতত সোধপোছ কৰা হয়। ফৌজদাৰী দণ্ড বিধি আইনৰ ৩১৩ নং ধাৰাত আপীলকাৰীৰ সোধপোছ কৰাৰ পিছত নিম্ন আদালতে বিবাদিত ৰায় আৰু আদেশ প্ৰদান কৰিছিল।

৭) বিজ্ঞ ন্যায়মিত্ৰ গৰাকীয়ে যুক্তি প্ৰদৰ্শন কৰে যে আপীলকাৰীক কেৱল মৃতকে মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দীৰ ভিত্তিত দোষী সাব্যস্ত কৰা হৈছে, য'ত উক্ত মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দী লিপিবদ্ধ হোৱাৰ তাৰিখ আৰু সময় সন্নিবিষ্ট কৰা হোৱা নাই। লগতে মৃত ব্যক্তিজনে তথাকথিত মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দীত নিজৰ স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ দিয়া নাছিল। তেওঁ আৰু কয় যে অভিযোজন সাক্ষী-১ এ সাক্ষ্যত কয় যে মৃতকৰ চাহ বাগিচা চিকিৎসালয়ত মৃত্যু হৈছিল আৰু মৃতকৰ মৃতদেহ ডিব্ৰুগড়ৰ এ. এম. চি. এইচলৈ লৈ যোৱা হৈছিল। তেওঁ লগতে যুক্তি প্ৰদৰ্শন কৰে যে প্ৰৰ্দশক-১ হিচাপে প্ৰৰ্দশিত হোৱা চুৰতহাল প্ৰতিবেদনত চাহ বাগিচা চিকিৎসালয়ত মৃতকৰ মৃত্যু হোৱা বুলি প্ৰমাণিত হ'ব। তেওঁ যুক্তি প্ৰদৰ্শন কৰে যে সাক্ষী-৬ চিকিৎসকজনে জেৰাত মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দী অপাৰেচন থিয়েটাৰত লিপিবদ্ধ কৰা বুলি উল্লেখ কৰাৰ বিপৰীতে অসম আৰক্ষীৰ নায়ক সাক্ষী-৭ এ মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দী কাণ, নাক, ডিঙি বিভাগৰ (ই. এন. টি) সাধাৰণ ৱাৰ্ডত উপস্থিত চিকিৎসকে লিপিবদ্ধ কৰা বুলি উল্লেখ কৰিছিল। এইদৰে তেওঁ দাবী কৰে যে মৃত্যুৰ আগমুহুৰ্তত দিয়া জবানবন্দী প্ৰকৃততে কোন ঠাইত কৰা হৈছিল অভিযোজন সাক্ষীসকলৰ জবানবন্দীৰ পৰা স্পষ্ট নহয়। সেই অনুসৰি, মৃত্যুৰ আগমুহুৰ্তত জবানবন্দী লিপিবদ্ধ কৰা বুলি কোনো প্ৰমাণ পোৱা নাযায় আৰু যদি কৰা হৈছিল তেন্তে সন্দেহজনক পৰিস্থিতিত কৰা হৈছিল। এইদৰে মৃত্যুৰ আগমুহুৰ্তৰ

জবানবন্দীক সত্য আৰু স্বেচ্ছামূলক বুলি গণ্য কৰিব নোৱাৰি। ইয়াক আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ ভিত্তিও বুলিও গণ্য কৰিব নোৱাৰি।

৮) আনহাতে, বিজ্ঞ অতিৰিক্ত চৰকাৰী অধিবক্তাই শ্ৰীমতী এছ. জাহানে যুক্তি প্ৰদৰ্শন কৰে যে যদিও ডিব্ৰুগড়ৰ এ. এম. চি. এইচত উপস্থিত হোৱাৰ পূৰ্বে মৃতকৰ মৃত্যু হয় নে নহয় সেই সন্দৰ্ভত অভিযোজন সাক্ষী-১ আৰু আন অভিযোজন সাক্ষীৰ সাক্ষ্যৰ মাজত পাৰ্থক্য দেখা যায়, তথাপিও আন সাক্ষীসকলৰ সাক্ষ্যই স্পষ্টভাৱে প্ৰমাণ কৰিছিল যে মৃতকজনে ডিব্ৰুগড়ৰ এ. এম. চি. এইচত চিকিৎসা সেৱা লাভ কৰিছিল আৰু মৃত্যুৰ পূৰ্বে তেওঁ ডিব্ৰুগড়ৰ এ. এম. চি. এইচত মৃত্যুৰ আগমুহূৰ্তৰ জবানবন্দী প্ৰদান কৰিছিল। লগতে যুক্তি প্ৰদৰ্শন কৰে যে মৃত্যুকে মৃত্যুৰ আগমুহূৰ্তত দিয়া জবানবন্দীৰ পৰা আপীলকাৰীজন অপৰাধৰ অপৰাধী আছিল বুলি প্ৰমাণিত হৈছে । তদুপৰি, অপৰাধত ব্যৱহৃত অস্ত্ৰ, অৰ্থাৎ দা আপীলকাৰীৰ ঘৰৰ পৰা জব্দ কৰা হয়। তেখেতে যুক্তি প্ৰদৰ্শন কৰে যে মৃত্যুৰ আগমুহূৰ্তত দিয়া জবানবন্দীৰ ডাক্তৰে লিপিবদ্ধ কৰিছিল, যিয়ে ডিব্ৰুগড় হাস্পতালত আপীলকাৰীক চিকিৎসা সেৱা প্ৰদান কৰিছিল। যিহেতু ডাক্তৰজন সাক্ষ্য প্ৰদান কৰিবলৈ আগ্ৰহী নাছিল, সেয়েহে তেওঁ লিপিবদ্ধ কৰা মৃত্যুৰ ঘোষণাৰ সত্যতাক লৈ সন্দেহ কৰাৰ কোনো কাৰণ নাই। বিজ্ঞ অতিৰিক্ত চৰকাৰী অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰে যে যিহেতু মৃতকে মৃত্যুৰ আগমুহূৰ্তত দিয়া জবানবন্দীত স্পষ্টভাৱে কোৱা হৈছে যে আপীলকাৰীয়ে তেওঁক দাৰে আক্ৰমণ কৰিছিল, যাৰ ফলত তেওঁ আঘাতপ্ৰাপ্ত হৈছিল আৰু যাৰ ফলতেই শেষত তেওঁৰ মৃত্যু হৈছিল, সেয়েহে বিবাদিত ৰায় আৰু আদেশত হস্তক্ষেপ কৰা উচিত নহয়।

৯)আমি পক্ষসমূহৰ হৈ বিজ্ঞ অধিবক্তাসকলৰ কথা শুনিলো।

১০) অভিযোজন সাক্ষী-১ এ তেওঁৰ সাক্ষ্যত উল্লেখ কৰিছে যে তেওঁ গ্ৰীণ উড চাহ বাগিচাৰ চকিদাৰ আছিল আৰু মৃতক বাগিচাৰ শ্ৰমিক আছিল। আপীলকাৰীজনো চাহ বাগিচাৰ শ্ৰমিক আছিল। চাহ বাগিচাৰ কাৰ্যালয়ত কাম কৰি থাকোঁতে ঘটনাৰ দিনা আবেলি প্ৰায় ৫ বজাত তেওঁৰ (অভিযোজন সাক্ষী-১) ৰ পত্নীয়ে জনাইছিল যে মৃতক তেওঁলোকৰ ঘৰৰ ওচৰতে পৰি আছে। অভিযোজন সাক্ষী-১ এ অভিযোজন সাক্ষী নং-৮ বাগিচাৰ মেনেজাৰক খবৰ দিয়ে আৰু তেওঁ মৃতকক নিজৰ বাহনেৰে

বাগিচাৰ হাস্পতাললৈ লৈ যায়। পিছত অভিযোজন সাক্ষী নং–১ য়ে গম পালে যে ৰাতিপুৱা প্ৰায় ৩ : ০০ বজাত মৃতকৰ মৃত্যু হৈছে।

১১) অভিযোজন সাক্ষী নং–১ৰ পত্নী অভিযোজন সাক্ষী–২এ ফৌজদাৰী দণ্ড বিধি আইনৰ ধাৰা ১৬১ ৰ অধীনত দিয়া জবানবন্দীত উল্লেখ কৰিছে যে মৃতকে তেওঁৰ স্বামীক বিচাৰি তেওঁৰ ঘৰলৈ আহিছিল। কিন্তু তেওঁৰ স্বামী ঘৰত নথকাৰ বাবে তেওঁক বহিবলৈ চকী এখন দিলে আৰু মৃতকে তেওঁক কৈছিলে যে তেওঁৰ স্বামী অৰ্থাৎ অভিযোজন সাক্ষী নং–১ৰ বাবে অপেক্ষা কৰিব। অভিযোজন সাক্ষী–২এ কয় যে সেই সময়ত তেওঁ ভাত ৰান্ধি আছিল। কিছু সময়ৰ পাছত আপীলকাৰী আহিল। কাজিয়া এখন হ'ল আৰু তাৰ পিছত তেওঁ শুনিলে কোনোবাই “মৰিলো ঔ” বুলি চিঞৰিছে। তেওঁ ওলাই আহি মৃতকক আঘাতপ্ৰাপ্ত হৈ পৰি থকা দেখিলে। তাৰ পাছত তেওঁ গৈ তেওঁৰ স্বামীক খবৰ দিলে।

কিন্তু নিম্ন আদালতৰ সন্মুখত দিয়া প্ৰমাণত অভিযোজন সাক্ষী–২ এ কয় যে আবেলি প্ৰায় ৫ বজাত তেওঁ ঘৰত ভাত ৰান্ধি থাকোতে লেতেৰা পানী পেলাবলৈ বাহিৰলৈ ওলাই আহিল। মৃতকক তেওঁ পথত পৰি থকা দেখি তেওঁক মতাৰ পিছতো মৃতকে কোনো সঁহাৰি নিদিলে। ভয় খাই তেওঁ স্বামীক খবৰ দিবলৈ অফিচলৈ গ'ল, আৰু তাৰপিছত তেওঁৰ স্বামীয়ে মেনেজাৰক খবৰ দিলে। ইয়াৰ পিছতে মেনেজাৰে মৃতকক নিজৰ বাহনেৰে চিকিৎসালয়লৈ লৈ যায়। পিছদিনা পুৱা তেওঁ গম পাইছিল যে মৃতকৰ মৃত্যু হৈছে।

উল্লেখযোগ্য যে ফৌজদাৰী দণ্ড বিধি আইনৰ ধাৰা ১৬১ ৰ অধীনত আৰক্ষীয়ে লিপিবদ্ধ কৰা জবানবন্দী আদালতত প্ৰমাণ হিচাপে গ্ৰহণযোগ্য নহয় আৰু প্ৰতিৰক্ষাৰ বাবে অভিযোজন সাক্ষীসকলক খণ্ডন কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে।

১২) অভিযোজন সাক্ষী–৩ যি এজন ৱেলফেয়াৰ ষ্টাফ, (welfare staff) তেওঁ সাক্ষ্যত উল্লেখ কৰিছে যে বিয়লি চাহ বাগিচাৰ কাৰ্যালয়ত থকাৰ সময়তে তেওঁ শুনিছিল যে মৃতক আৰু আপীলকাৰীৰ মাজত কাজিয়া হৈছিল। বাগিচাৰ মেনেজাৰে আৰক্ষীক খবৰ দিলে আৰু আৰক্ষী তেওঁলোকৰ বাগিচালৈ আহিছিল। ইয়াৰ পিছত তেওঁ আৰক্ষীৰ সৈতে আপীলকাৰীৰ ঘৰলৈ যায়। আৰক্ষীয়ে আপীলকাৰীক লৈ যায় আৰু আপীলকাৰীৰ ঘৰৰ

পৰা এখন দা জব্দ কৰে। অভিযোজন সাক্ষী-৩ক জব্দৰ সাক্ষী হিচাপে লোৱা হয়। জেৰাত অভিযোজন সাক্ষী-৩এ উল্লেখ কৰিছে যে জব্দ কৰা দাৰ সৈতে মিল থকা দাও সকলোৰে ঘৰত পোৱা যায়। আপীলকাৰী আৰু মৃতকৰ মাজত কাজিয়া হোৱা কথাটো তেওঁ অস্বীকাৰ কৰে। কিন্তু আপীলকাৰী আৰু মৃতকৰ মাজত কাজিয়া হোৱা বুলি অভিযোজন সাক্ষী-৩এ কাৰ পৰা শুনিছিল কোনো ব্যক্তিয়ে সাক্ষ্যত কোৱা নাই।

১৩) অভিযোজন সাক্ষী -৪ এগৰাকী চিকিৎসক, এ. এম. চি. এইচ, ডিব্রুগড়ৰ ফৰেনছিক মেডিচিন বিভাগত সহকাৰী অধ্যাপক হিচাপে কাম কৰা চিকিৎসকজনে সাক্ষ্যত উল্লেখ কৰিছে যে ১১.১.২০১২ তাৰিখে তেওঁ মৃতকৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰিছিল, মৃতদেহটো চাৰ্জিকেল ইউনিট নং-II ৰ পৰা অনা হৈছিল। তেওঁ লগতে কয় যে মৰণোত্তৰ পৰীক্ষাত চিলাই কৰা জখম পাইছিল আৰু মূৰত কটা জখম পাইছিল। মৃত্যুৰ কাৰণ সম্পৰ্কে অভিযোজন সাক্ষী-৪ এ মতামত দিয়ে যে চোকা অস্ত্ৰৰে কৰা আঘাতৰ ফলত হোৱা ৰক্তক্ষৰণজনিত কাৰণত মৃতকৰ মৃত্যু হৈছিল। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰাসংগিক অংশ তলত পুনৰ বৰ্ণনা কৰা হৈছে।

"*আঘাত:*

১)ক'লা দাগ থকা বেণ্ড কৰিব পৰা সোঁকোণৰ ওপৰত (over the right angle bendable) ৮ চে.মি. তিৰ্যকভাৱে থকা ছটা চিলাই কৰা আঘাত। ৯ চে.মি. দীঘল এটা ইনচাইজ (incise) জখম খুলি চোৱাত, পেশী আৰু এটা নাড়ী দুয়োটাকে প্ৰভাৱিত কৰা ক্লিন-কাট মাৰ্জিন (clean-cut margin)।

২) সোঁ কান্ধৰ পৰা ৩ চে.মি. আতৰত ৬ চে.মি. উলম্বভাৱে কটা ৯০.৫ চে.মি.পেশীৰ গভীৰলৈ থকা (90.5 cm muscle deep) এটা ৰঙা ৰঙৰ ইনচাইজ(incise)আঘাত।

৩) মূৰৰ পেৰিটেল হাড়ৰ বাওঁফালে প্ৰতিটো ৬ চে.মি. দীঘলকৈ চাৰিটা চিলাই কৰা জখম (over left parietal bone, obliquely placed)। পেৰিটেল হাড়ৰ পৰা ডিঙিলৈকে বিস্তৃত হৈ থকা পৰিষ্কাৰকৈ কটা এটা ইনচাইজ(incise)আঘাত আৰু সেই অংশত ৰঙা পৰা দেখা যায়।

৪) বাওঁ কাণৰ পৰা ৩ চে.মি. আতৰত, ডিঙিৰ পিছফালৰ বাওঁফালৰ পৰা মূৰ লৈকে প্ৰতিটো ২১ চে.মি. দৈৰ্ঘ্যৰ ১২টা চিলাই। এটা ইনচাইজ(incise)আঘাত খুলি চোৱাত মূৰৰ ছাল, পেশী আৰু কাটি যোৱা অংশ সকলোবোৰ দেখা গ'ল।

*ক্ৰেনিয়াম (cranium)আৰু স্পাইনেল ক্যানাল (spinal canal) পৰীক্ষা:*

মূৰৰ ছাল— মূৰৰ ছালত বগা হেনোটোনা দেখা যায়। লাউখোলা-বাওঁফালৰ পেৰিটেল হাড়ৰ বাহিৰৰ অংশ কটা । হাড় দালৰ বাওঁফালটো মাষ্ট'ইড হাড় (mastoid bone) আৰু মাজৰ ক্ৰেনিয়েল ফ'ছাৰ (middle cranoid fossa )হাড়ৰ ওপৰত পৰিষ্কাৰকৈ কাটি যোৱা দেখা

যায়। মেৰুদণ্ড ঠিকে আছে। মগজু আৰু মেমব্ৰেন (membrane) শেঁতা দেখা যায়, মাষ্টোইড অঞ্চলৰ (mastoid region) বাওঁফালৰ ওপৰত পৰিষ্কাৰ কাটি যোৱা দেখা যায়। মেৰুদণ্ড বিভাজিত হোৱা নাই। ওৱালসৰিবস আৰু কাৰ্টিলেজ সুস্থ। প্লুৰা, লেৰিংছ আৰু শ্বাসনালী (Pleurae, larynx and trachea) শেঁতা। হৃদপিণ্ড অচল আৰু খালী হৈ পৰিছে।

মতামত:

বৰ্ণনা কৰা ধৰণে আঘাতপ্ৰাপ্ত হোৱাৰ ফলত ৰক্তক্ষৰণজনিত শ্বকৰ ফলত মৃত্যু হয়। সকলো আঘাত মৃত্যুৰ পূৰ্বৰ আৰু চোকা অস্ত্ৰৰে কটা আঘাত। হত্যাকৰা ধৰণৰ। সাধাৰণতে এজন ব্যক্তিৰ মৃত্যুৰ বাবে ৪ নং আঘাতেই যথেষ্ট। মৃত্যুৰ হোৱাৰ পৰা প্ৰায় ৪-৬ ঘন্টা পিছৰ। প্ৰদৰ্শক- ৩ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন।"

১৪) অভিযোজন সাক্ষী-৫ এ উল্লেখ কৰে যে মৃতক তেওঁৰ ভাগিন (nephew) আৰু তেওঁ গম পাইছিল যে মৃতক অসুস্থতাৰ বাবে ডিব্ৰুগড় চিকিৎসালয়ত আছিল। ডিব্ৰুগড়ৰ এ. এম. চি. এইচত উপস্থিত হৈ তেওঁ মৃতকক বগা কাপোৰেৰে ঢাকি ৰখা অৱস্থাত দেখা পায়। এই পৰ্যায়ত, বিচাৰ প্ৰক্ৰিয়াত অভিযোজন সাক্ষী ন-৫ ক প্ৰতিকূল সাক্ষী (hostile witness) হিচাপে ঘোষণা কৰে। তেওঁক কৰা জেৰাত, অভিযোজন সাক্ষী-৫ এ আৰক্ষীক এই বক্তব্য দিয়া বুলি অস্বীকাৰ কৰে, যিটো তলত দিয়া ধৰণৰ:

"মৃত সমাৰু কৰ্মকাৰ মোৰ ভাই আছিল (সম্পৰ্কীয়)। যোৱা নিশা এ. এম. চি. এইচত তেওঁৰ মৃত্যু হয়। যোৱাকালি একে 'লাইন'ৰ বাসিন্দা অশোক মুৰাই তেওঁক (সমাৰুক) 'লাইন' চৌকিদাৰৰ ঘৰত বহি থকা অৱস্থাত দাৰে ঘপিয়াই তেওঁক(সমাৰুক) গুৰুতৰভাৱে আঘাত কৰে যাৰ ফলত তেওঁৰ মৃত্যু হয়।কালি অশোক মুৰাই সমাৰুক কাটি আঘাত কৰিছিল কাৰণ সমাৰুৱে এবছৰৰ আগতে অশোকৰ পত্নীৰ সৈতে পলায়ন কৰিছিল আৰু তেওঁলোকৰ পুত্ৰকো লগত লৈ গৈছিল"।

১৫) ডিব্ৰুগড় এ. এম. চি. এইচৰ ই.এন.টি. বিভাগত স্নাতকোত্তৰ প্ৰশিক্ষাৰ্থী (Post Graduate Trainee) হিচাপে কাম কৰি থকা অভিযোজন সাক্ষী-৬ ড° পংকজ কুমাৰ ৰায়ে সাক্ষ্য প্ৰদান কৰে যে তেওঁ ১০.১.২০১২ তাৰিখে জৰুৰীকালীন কৰ্তব্যত আছিল। তেওঁ উল্লেখ কৰে যে মৃত ব্যক্তিজনক কেজুৱেলিটি বিভাগৰ পৰা ই. এন. টি বিভাগলৈ প্ৰেৰণ কৰা হৈছিল। মৃতকৰ অৱস্থা গুৰুতৰ হোৱাৰ বাবে বিভাগৰ পঞ্জীয়ক ডাঃ চন্দমিতা পাঠকে বৰবাৰী আৰক্ষী চকীত খবৰ দিয়ে। আৰক্ষী চকীৰ পৰা আৰক্ষী আহি তেওঁক মৃতকৰ মৃত্যুৰ প্ৰাকমুহুৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰিবলৈ অনুৰোধ জনায়।

সেই অনুসৰি, অভিযোজন সাক্ষী-৬ এ মৃতকৰ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰে। মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী খন প্ৰদৰ্শক- ৫ আৰু তেওঁৰ স্বাক্ষৰ প্ৰদৰ্শক- ৫ (১) হিচাপে প্ৰদৰ্শিত হয়।তেওঁ লগতে কয় যে মৃত লোকজনক ডিব্ৰুগড়ৰ এ. এম. চি. এইচত চিকিৎসা কৰা হৈছিল আৰু তেওঁৰ পঞ্জীয়ন নং আছিল এম. এল. ২১০/১২। অভিযোজন সাক্ষী-৬ এ জেৰাত উল্লেখ কৰিছে যে প্ৰদৰ্শক- ৫ লিপিবদ্ধ কৰোতে মৃতকৰ মানসিক অৱস্থাৰ কথা প্ৰদৰ্শক- ৫ত উল্লেখ কৰা হোৱা নাছিল। তেওঁ জেৰাত এই কথাও উল্লেখ কৰিছে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী অপাৰেচন থিয়েটাৰত ৰেকৰ্ড কৰা হৈছিল আৰু আঘাতৰ চিলাই ডাঃ চন্দমিতা পাঠক আৰু তেওঁ নিজেই কৰিছিল। সেই সময়ত ড° নবজ্যোতি শইকীয়াও তালৈ আহিছিল আৰু মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰোতে উপস্থিত আছিল। তেওঁ লগতে কয় যে প্ৰদৰ্শক- ৫ মৃতকে তেওঁক কোৱাৰ দৰেই লিপিবদ্ধ কৰা হৈছিল। তেওঁ লগতে কয় যে অপাৰেচন থিয়েটাৰৰ পৰা জখমীক আই. চি. ইউলৈ স্থানান্তৰ কৰা হৈছিল। অভিযোজন সাক্ষী নং-৬ এ অস্বীকাৰ কৰিছে যে মৃতকে কথা ক'ব পৰা অৱস্থাত নাছিল বা মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী মৃতকে নিজে দিয়া নাছিল। অভিযোজন সাক্ষী-৬ এ অৱশ্যে উল্লেখ কৰিছে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীত মৃতকৰ কোনো স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ নাছিল।

১৬) বৰবাৰী আৰক্ষী চকীৰ আৰক্ষীৰ নায়ক অভিযোজন সাক্ষী-৭ এ তেওঁৰ সাক্ষ্যত উল্লেখ কৰিছে যে ডাঃ পাঠকৰ পৰা খবৰ পাই আৰক্ষী চকীৰ ইন-চাৰ্জ এ, উপ পৰিদৰ্শক বসন্ত বৰাক মেডিকেল কলেজলৈ পঠিয়াইছিল আৰু তেওঁ এ. এছ. আই. বসন্ত বৰাৰ লগত গৈছিল। মৃতকৰ অৱস্থা গুৰুতৰ হোৱাৰ বাবে চিকিৎসকে জখমী (মৃতক)ৰ বক্তব্য তেওঁলোকৰ উপস্থিতিত লিপিবদ্ধ কৰিছিল। অভিযোজন সাক্ষী-৭ এ এইটোও উল্লেখ কৰে যে তেওঁ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীত তেওঁ সাক্ষী হিচাপে স্বাক্ষৰ কৰিছিল। অভিযোজন সাক্ষী -৭ এ তেওঁৰ জেৰাত উল্লেখ কৰিছে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী ই. এন. টি. বিভাগৰ সাধাৰণ ৱাৰ্ডত উপস্থিত চিকিৎসকে লিপিবদ্ধ কৰিছিল। তেওঁ এই কথা অস্বীকাৰ কৰে যে জখমীয়ে (মৃতক) কোৱাৰ দৰে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰা হোৱা নাছিল।

১৭) গ্ৰীণ উড চাহ বাগিচাৰ ভাৰপ্ৰাপ্ত পৰিচালক অভিযোজন সাক্ষী–৮ এ সাক্ষ্য প্ৰদান কৰে যে আবেলি প্ৰায় ৪ বজাত অভিযোজন সাক্ষী–১ এ তেওঁক জনাইছিল যে আপীলকাৰীয়ে মৃতকক মাৰপিট কৰিছে। ইয়াৰ পিছতে মৃতকক বাগিচাৰ হস্পিতাললৈ অনা হয়, তাৰ পৰা তেওঁক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ এ. এম. চি. এইচলৈ প্ৰেৰণ কৰা হয়। তেওঁ এফ.আই. আৰ দাখিল কৰা বুলিও উল্লেখ কৰে। জেৰাত অভিযোজন সাক্ষী–৮ এই কথা অস্বীকাৰ কৰে যে অভিযোজন সাক্ষী–১ এ তেওঁক আপীলকাৰীয়ে মৃতকক মাৰপিট কৰা বুলি জনোৱা নাছিল।

১৮) গোচৰৰ তদন্তকাৰী বিষয়া অভিযোজন সাক্ষী–৯ এ সাক্ষ্য প্ৰদান কৰে যে তেখেতে আপীলকাৰীক ঘৰত পাইছিল আৰু আপীলকাৰীয়ে তেওঁক দাখন দেখুৱাইছিল যিখন তেওঁ মৃতকক আক্ৰমণ কৰিবলৈ ব্যৱহাৰ কৰিছিল। তেওঁ লগতে কয় যে আপীলকাৰীৰ বিৰুদ্ধে পৰ্যাপ্ত তথ্য পোৱাৰ পিছত ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰা ৩০২ৰ অধীনত অভিযোগনামা দাখিল কৰা হয়। অস্ত্ৰ (দা)খন আদালতত প্ৰদৰ্শন কৰা হয়। অভিযোজন সাক্ষী নং–৭ এ তেওঁৰ জেৰাত উল্লেখ কৰিছে যে মৃতকক প্ৰাথমিক চিকিৎসা প্ৰদান কৰা গ্ৰীণ উড চাহ বাগিচাৰ হাস্পতালৰ চিকিৎসকজনক তেওঁ সোধপোছ কৰা নাছিল। তেওঁ এই কথা অস্বীকাৰ কৰে যে আপীলকাৰীয়ে তেওঁক কোৱা নাছিল যে তেওঁ মৃতকক হত্যা কৰিছিল।

১৯) ফৌজদাৰী দণ্ড বিধি আইনৰ ধাৰা ৩১৩ৰ অধীনত আপীলকাৰীয়ে অপৰাধ সংঘটিত কৰাৰ কথা সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে লগতে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ মিছা আৰু তেওঁ নিৰ্দোষী বুলি কয়।

২০) আৰম্ভণিতে এইটো লক্ষ্য কৰা হৈছে যে অভিযোজন সাক্ষী–১ এ তেওঁৰ সাক্ষ্যত আপীলকাৰীয়ে মৃতকক আক্ৰমণ কৰা দেখা বুলি উল্লেখ নকৰাৰ বিপৰীতে গ্ৰীণউড চাহ বাগিচাৰ ভাৰপ্ৰাপ্ত পৰিচালক অভিযোজন সাক্ষী–৮ এ সাক্ষ্যত কৈছে যে অভিযোজন সাক্ষী–১ এ তেওঁক জনাইছিল যে আপীলকাৰীয়ে মৃতকক আক্ৰমণ কৰিছে।

২১) অভিযোজন সাক্ষী –৫ এ জেৰাত কয় যে তেওঁ আৰক্ষীৰ সন্মুখত ফৌজদাৰী দণ্ড বিধি আইনৰ ১৬১ নং ধাৰাৰ অধীনত জবানবন্দী দিয়া নাছিল আৰু য'ত তেওঁ

অভিযোগ অনুসৰি কৈছিল যে আপীলকাৰীয়ে মৃতকক কাটি জখম কৰিছিল। কাৰণ, এবছৰৰ আগতে মৃতকজনে আপীলকাৰীৰ পত্নীৰ সৈতে পলায়ন কৰিছিল আৰু তেওঁলোকে আপীলকাৰীৰ পুত্ৰকো লগত লৈ গৈছিল। অভিযোজন সাক্ষী -৮ ৰ সাক্ষ্যৰ পৰা বুজা যায় যে ঘটনাটোৰ প্ৰত্যক্ষদৰ্শী আছিল, কিয়নো তেওঁক অভিযোজন সাক্ষী -১ এ জনাইছিল যে আপীলকাৰীয়ে মৃতকক আক্ৰমণ কৰিছিল। কিন্তু অভিযোজন সাক্ষী-২এ (অভিযোজন সাক্ষী-১ ৰ পত্নী) মৃতকক ৰাস্তাত পৰি থকা প্ৰত্যক্ষ কৰাৰ পিছতো অভিযোজন সাক্ষী -১ এ এই বিষয়ত মৌনতা অৱলম্বন কৰিছে ।

২২) প্ৰদৰ্শক- ১ হিচাপে প্ৰদৰ্শিত হোৱা চুৰতহাল প্ৰতিবেদন খন চাই দেখা যায় যে উক্ত প্ৰতিবেদন ১১.১.২০১৩ তাৰিখে আবেলি ৩ : ০০ বজাত ডিব্ৰুগড়ৰ এ. এম. চি. এইচত (A.M.C.H) প্ৰস্তুত কৰা হৈছিল। যদিও অভিযোজন সাক্ষী-১ এ মৃতকৰ চাহ বাগিচাৰ হাস্পতালত মৃত্যু হোৱা বুলি উল্লেখ কৰিছিল, কিন্তু অভিযোজন সাক্ষী -৪ আৰু ৬ এ, দুয়োজনেই চিকিৎসক আৰু তেওঁলোকে ডিব্ৰুগড়ৰ এ. এম. চি .এইচত মৃতকক চিকিৎসা কৰিছিল , লগতে অভিযোজন সাক্ষী- ৭, ৮ আৰু ৯ৰ সাক্ষ্যত স্পষ্টকৈ দেখা যায় যে মৃতকৰ মৃত্যু ডিব্ৰুগড়ৰ এ. এম. চি. এইচত.হৈছিল। যদিও এ. এম. চি. এইচ হাস্পতালত মৃতকৰ কোনটো কোঠাত মৃত্যু হৌছিল-এই ক্ষেত্ৰত কিছু অমিল আছে, তথাপিও সত্যটো হ'ল যে মৃতকৰ মৃত্যু এ. এম. চি. এইচ হাস্পতালত হৈছিল আৰু অভিযোজন সাক্ষী-৪ আৰু ৬ য়ে তেওঁক চিকিৎসা প্ৰদান কৰিছিল। ডিব্ৰুগড়ৰ এ. এম. চি. এইচৰ কোন কোঠাত মৃত্যু হৈছিল সেই সন্দৰ্ভত অমিল থকাৰ উপৰিও অপৰাধ সংঘটিত হোৱাৰ সময়ৰ সন্দৰ্ভত কিছু অমিল আছে। অভিযোজন সাক্ষীসকলৰ (Prosecution witness) সাক্ষ্য বিশ্লেষণ কৰি আমি মত পোষণ কৰো যে সাক্ষীসকলৰ সাক্ষ্য ঘটনা সংঘটিত হোৱাৰ পৰা ৩ ৰ পৰা ৫ ১/২ (3-5½) বছৰতকৈ অধিক সময়ৰ পিছত লোৱাৰ বাবে সৰু সৰা তাৰতম্য হব পাৰে। সময়ৰ ব্যৱধানৰ কাৰণে কিছু বিবৰণ অস্পষ্ট হবও পাৰে। কিন্তু আমি দেখিবলৈ পাওঁ যে সাক্ষীসকলৰ বিশ্বাসযোগ্যতাক লৈ কোনো সন্দেহ নাই। সময়ৰ ব্যৱধানৰ বাবেই কথাবোৰ পাহৰি কিছু তাৰতম্য হব পাৰে। অৱশ্যে, বিচাৰ প্ৰক্ৰিয়াত, গোচৰৰ মূল অংশত ই কোনো প্ৰভাৱ পেলোৱা নাই। আমি নিৰ্ধাৰণ কৰোঁ যে সাক্ষ্যসমূহৰ সামান্য অমিল গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়াত বিশেষভাৱে প্ৰভাৱ নেপেলায়।

২৩) উত্তৰ প্ৰদেশ চৰকাৰ বনাম নৰেশ গোচৰত (2011) 4 SCC 324, উচ্চতম ন্যায়ালয়ে মতপোষণ কৰে যে সকলো ফৌজদাৰী গোচৰতে সময়ৰ ব্যৱধানৰ বাবে মনতপেলাওতে হব পৰা ভুল আৰু ঘটনা সংঘটিত হোৱাৰ সময়ত পোৱা মানসিক চাপৰ দৰে স্বাভাৱিক কাৰকৰ বাবে সাক্ষীৰ জবানবন্দীত তাৰতম্য হোৱাটো স্বাভাৱিক। যেতিয়া কোনো সাক্ষীয়ে গুৰুত্বপূৰ্ণ বিৱৰণ বা তথ্য উল্লেখ কৰাত ব্যৰ্থ হয় যিবোৰ পিছত প্ৰকাশ পায়, তেতিয়া ই এনে পৰিস্থিতিৰ সৃষ্টি কৰে য'ত তেওঁলোকৰ সাক্ষ্যই সম্পূৰ্ণ সত্যৰ বিৰোধিতা কৰে ফলত, ইয়াৰ সত্যতাক লৈ সন্দেহৰ সৃষ্টি হয়, আৰু আন সাক্ষীয়েও আদালতত নিজৰ বক্তব্য বহু পৰিমাণে সলনি কৰে, তেন্তে এনে প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰাটো নিৰাপদ বুলি গণ্য কৰা নহ'বও পাৰে। কিন্তু সামান্য অমিল, অসামঞ্জস্য, আৰু সৰু সুৰা গুৰুত্বহীন বিষয় যিয়ে বিচাৰ প্ৰক্ৰিয়াৰ গোচৰৰ সাৰমৰ্মক প্ৰভাৱিত নকৰে, সেইবোৰক সমগ্ৰ প্ৰমাণক খাৰিজ কৰাৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰা উচিত নহয়। আদালতে সাক্ষীৰ বিশ্বাসযোগ্যতা মূল্যায়ন কৰি সাক্ষীৰ সাক্ষ্য বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য হয় নে নহয় সেই সম্পৰ্কে সিদ্ধান্ত লব লাগিব।

২৪) লীলা ৰাম (মৃত) দুলি চান্দৰ জৰিয়তে বনাম হাৰিয়ানা চৰকাৰ গোচৰত (*Leela Ram (Dead) Through Duli Chand* v. *State of Haryana*, (1999) 9 SCC 525 ) উচ্চতম ন্যায়ালয়ে মতপোষণ কৰে যে প্ৰত্যক্ষ সাক্ষীৰ সাক্ষ্যৰ অমিল ইমান গুৰুত্বপূৰ্ণ নহ'লে, সাক্ষ্যৰ বিশ্বাসযোগ্যতাক প্ৰভাৱিত কৰিব নোৱাৰে । বিভিন্ন সাক্ষীয়ে সবিশেষ বৰ্ণনা কৰাৰ সময়ত, তেওঁলোকৰ সাক্ষীৰ বিৱৰণীত কিছু পাৰ্থক্য থকাটো স্বাভাৱিক। এই বৈপৰীত্যবোৰ গুৰুত্বপূৰ্ণ নহ'লে ইয়াৰ বাবে সমগ্ৰ প্ৰমাণ সম্পূৰ্ণৰূপে নাকচ কৰিব নালাগে। ফৌজদাৰি গোচৰত প্ৰমাণ গাণিতিক নিখুঁততাৰ দ্বাৰা সমৰ্থিত হ'ব বুলি আশা কৰিব নোৱাৰি। কিছু অতিৰঞ্জিত হ'ব পাৰে যদিও এনে তাৰতম্যৰ বাবে প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্যক বিশ্বাসৰ অযোগ্য কৰি তুলিব নালাগে। সৰু সৰা পাৰ্থক্যৰ বাবে নিৰ্ভৰযোগ্য প্ৰমাণ সম্পূৰ্ণৰূপে নোহোৱা কৰিব নালাগে। উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত সমূহৰ আধাৰত আমি মতপোষণ কৰোঁ যে এই গোচৰৰ অমিলসমূহে বিচাৰ প্ৰক্ৰিয়াত গোচৰৰ মূল অংশত কোনো প্ৰভাৱ পেলোৱা নাই আৰু সেয়েহে, ইয়াক উপেক্ষা কৰিব পাৰি।

২৫) মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী থন চালে দেখা যায় যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী থন লিপিবদ্ধ কৰাৰ সময় আৰু তাৰিখ উক্ত নথিখনত উল্লেখ কৰা হৈছে।

অৱশ্যে উক্ত নথিখনত মৃতকৰ কোনো স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ নাই। সেই অনুসৰি, উত্তৰ দিবলগীয়া প্ৰশ্নটো হ'ল যে উক্ত লিপিবদ্ধ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী খন প্ৰমাণ হিচাপে নিৰ্ভৰ কৰিব পাৰি নেকি, যিহেতু মৃতকৰ স্বাক্ষৰ তাত নাই। উত্তৰ দিবলগীয়া আনটো প্ৰশ্ন হ'ল মৃত্যুৰ প্ৰাকমুহূৰ্তৰ মৌখিক জবানবন্দীক অভিযুক্তক দোষী সাব্যস্ত কৰিবৰ বাবে ব্যৱহাৰ কৰিব পাৰি নেকি? মৃতকৰ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী তলত দিয়া ধৰণে পুনৰ বৰ্ণনা কৰা হৈছে:-

"অসম চিকিৎসা মহাবিদ্যালয়

ডিব্ৰুগড়

বহিঃ ৰোগী বিভাগ

প্ৰদৰ্শক–৫

গোচৰ নং এছ. চি. ৬০/১৫

অতিৰিক্ত সত্ৰ ন্যায়াধীশ(এফ.টি.চি.)

ডিব্ৰুগড়

সুমাৰু কৰ্মকাৰৰ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী

আজি আবেলি ৬ বজাত মই চকীদাৰৰ ঘৰত বহি থাকোঁতে, অশোক মুৰাই মোক দাৰে আক্ৰমণ কৰিছিল, যাৰ ফলত মোৰ জখম হৈছিল। অশোক মুৰাই মোৰ মূৰত পিছফালৰ পৰা কেইবাবাৰো আক্ৰমণ কৰিছিল। অশোকে অভিযোগ কৰিছিল যে মই তেওঁৰ পুত্ৰক লগত লৈ তেওঁৰ পত্নীৰ সৈতে পলায়ন কৰিছিলোঁ।

এন. কে

২৪০, মলিন বৰা, ৯ বজাত।

১০.১.২০১২, বনবাৰী অ'. পি।

প্ৰদৰ্শক–৫(২)

গোচৰ নং এছ. চি. ৬০/১৫

স্বাক্ষৰ/অস্পষ্ট

অতিৰিক্ত সত্ৰ ন্যায়াধীশ(এফ.টি.চি.)

ডিব্ৰুগড়

২৮.১.২০১৬

প্ৰদৰ্শক–৫(১)

গোচৰ নং এছ. চি. ৬০/১৫

স্বাক্ষৰ/অস্পষ্ট

অতিৰিক্ত সত্ৰ ন্যায়াধীশ(এফ.টি.চি.)

ডিব্ৰুগড়

১৭.৯.২০১৫

স্বাক্ষৰ/অস্পষ্ট

পি. জি. টি. ই. এন. টি

১০.১.২০১২

প্ৰদৰ্শক–৬

গোচৰ নং এছ. চি. ৬০/১৫

স্বাক্ষৰ/অস্পষ্ট

অতিৰিক্ত সত্ৰ ন্যায়াধীশ(এফ.টি.চি.)

ডিব্ৰুগড়

১৭.৯.২০১৫”

২৬) পাৰবিন আলী বনাম অসম চৰকাৰ গোচৰত, (২০১৩) ২ এছ.চি.চি. ৮১, উচ্চতম ন্যায়ালয়ে মতপোষণ কৰিছে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী মৌখিক হ'ব পাৰে। শ্ৰীমতী পানীবেন বনাম গুজৰাট চৰকাৰ গোচৰত,, (১৯৯২) ২ এছ.চি.চি ৪৭৪, উচ্চতম ন্যায়ালয়ে মতপোষণ কৰিছে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীয়ে যথেষ্ট গুৰুত্ব বহন কৰে। যদি আদালতে জবানবন্দীটো সত্য আৰু স্বেচ্ছামূলক আছিল বুলি বিশ্বাস কৰে, তেন্তে অন্য কোনো সমৰ্থন নোহোৱাকৈয়ে দোষী সাব্যস্ত কৰিব পাৰে। ন্যায়ালয়ে লগতে মতপোষণ কৰে যে দোষী সাব্যস্ত কৰিবৰ বাবে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী সদায় অন্য প্ৰমাণৰ দ্বাৰা সমৰ্থিত হ'ব লাগিব বুলি কোনো কঠোৰ নিয়ম নাই। সমৰ্থনৰ প্ৰয়োজনীয়তা মাথোঁ এক বিচক্ষণ নিয়ম।

২৭) লক্ষ্মণ বনাম মহাৰাষ্ট্ৰ চৰকাৰ গোচৰত, (২০০২) ৬ এছ.চি.চি ৭১০, উচ্চতম ন্যায়ালয়ৰ সংবিধান বিচাৰপীঠে স্পষ্ট কৰি দিয়ে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী মৌখিক বা লিখিত হ'ব পাৰে বা যোগাযোগৰ যিকোনো উপযুক্ত মাধ্যমৰ জৰিয়তে প্ৰদান কৰা হ'ব পাৰে সেয়া শব্দৰ দ্বাৰা হওক বা অন্য পদ্ধতিৰে হওক, গ্ৰহণযোগ্য যদিহে যেতিয়ালৈকে ই স্পষ্ট আৰু নিৰ্দিষ্ট হয়। উচ্চতম ন্যায়ালয়ে লগতে মতপোষণ কৰে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী সযতনে পৰীক্ষা কৰাটো আদালতৰ দায়িত্ব। বিশেষকৈ যদি ইয়াক সচেতন মনে আৰু বাহ্যিক প্ৰভাৱ নোহোৱাকৈ প্ৰদান কৰা হৈছে তেন্তে আদালতে ইয়াৰ সত্যতা আৰু সঠিকতাৰ মূল্যায়ন কৰা উচিত। লগতে মতপোষণ কৰে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী দণ্ডাধীশৰ সন্মুখত দিব লাগিব বুলি কোনো আইনী বাধ্যবাধকতা নাই। এনে বক্তব্যৰ গুৰুত্ব প্ৰতিটো নিৰ্দিষ্ট গোচৰৰ বিৱৰণ আৰু প্ৰসংগৰ ওপৰত নিৰ্ভৰ কৰে। চিকিৎসকৰ প্ৰমাণপত্ৰ সতৰ্কতামূলক ব্যৱস্থা বুলি ন্যায়ালয়ে লগতে মতপোষণ কৰে।

২৮) বাবু লাই বনাম মধ্যপ্ৰদেশ চৰকাৰ গোচৰত, (২০০৩) ১২ এছ.চি.চি ৪৯০ উচ্চতম ন্যায়ালয়ে মতপোষণ কৰে যে মৃত্যুমুখত পৰা ব্যক্তিৰ কথাত গম্ভীৰতা আৰু পবিত্ৰতা জড়িত হৈ থাকে, কাৰণ, মৃত্যুমুখত পৰা ব্যক্তি এজনে নিৰীহ ব্যক্তি এজনৰ ওপৰত মিছা অভিযোগ উত্থাপন কৰিবলৈ মিছা কথা কোৱা বা ভুৱা কাহিনী সৃষ্টি কৰাৰ সম্ভাৱনা কম। উচ্চতম ন্যায়ালয়ে ৭ নং দফাত তলত দিয়া ধৰণে উল্লেখ কৰিছে:

“...... যেতিয়া এজন ব্যক্তিয়ে আসন্ন মৃত্যুৰ সন্মুখীন হয়, জীয়াই থকাৰ সম্ভাৱনা কম হয়, তেতিয়া মিছা কোৱাৰ সম্ভাৱনা নোহোৱা হয়। মৃত্যুৰ প্ৰবল সম্ভাৱনাৰ ফলত মিছা কোৱাৰ প্ৰবনতা নিঃশেষ হৈ যায়। কেৱল সত্য কথা ক’বলৈ আটাইতকৈ শক্তিশালী নৈতিক যুক্তিয়ে মানুহৰ মানসিকতাক সলনি কৰে। মৃত্যুমুখত পৰা ব্যক্তি এজনে মিছা কোৱা বা নিৰীহ ব্যক্তিক জড়িত কৰিব পৰাকৈ কাহিনী ৰচনা কৰাৰ সম্ভাৱনা নাথাকে কাৰণ মৃত্যুমুখত পৰা ব্যক্তিৰ কথাৰ লগত গম্ভীৰতা আৰু পবিত্ৰতা জড়িত হৈ থাকে। কোৱা হয় যে–“মুখত মিছা কথা লৈ মানুহে নিজৰ সৃষ্টিকৰ্তাক লগ পাব নিবিচাৰে” (nemo moriturus praesumitur mentire)। মেথিউ আৰ্নল্ডে কৈছিল, “মৃত্যুমুখী মানুহৰ ওঁঠত সত্য থাকে”। সাধাৰণ নীতিটো হ’ল এই ধৰণৰ প্ৰমাণ গ্ৰহণ কৰা হয় কাৰণ এজন লোক যেতিয়া মৃত্যুৰ দোৱাৰদলিত থাকে সাধাৰণতে তেনে চৰম পৰিস্থিতিত এনে বক্তব্য দিয়া হয়, অৰ্থাৎ, বক্তব্য দিয়া ব্যক্তিজন মৃত্যুৰ কাষ চাপিলে, এই পৃথিৱীৰ সকলো আশা হেৰুৱাই পেলালে, মিছা কোৱাৰ কোনো ইচ্ছা নাথাকিলে প্ৰমাণবোৰ নিৰ্ভৰযোগ্য বুলি গণ্য কৰা হয়। এনে পৰিস্থিতিত ব্যক্তিজনে সত্যৰ দ্বাৰা প্ৰভাবান্বিত হয়; আইনী ব্যৱস্থাত এনে পৰিস্থিতিক ইমানেই গুৰুতৰ, গম্ভীৰ আৰু বিশ্বাসযোগ্য বুলি ভবা হয় যে ইয়াক আদালতত প্ৰদান কৰা শপতনামাৰ প্ৰতিশ্ৰুতিৰ সমতুল্য বুলি গণ্য কৰা হয়।

২৯) বলবীৰ বনাম ভক্সিৰ গোচৰত (২০১৪) ১২ এছ.চি.চি. ৬৭০, উচ্চতম ন্যায়ালয়ে মতপোষণ কৰে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ মৌখিক জবানবন্দীক দোষী সাব্যস্ত হোৱাৰ প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিব পাৰি যদিহে ব্যক্তিজনে জবানবন্দী দিব পৰা অৱস্থাত থাকে আৰু যদি বক্তব্যটো সত্য আৰু সঠিক বুলি নিৰ্ণয় কৰা হয়। সতৰ্কতামূলক ব্যৱস্থা হিচাপে আদালতে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীৰ বৈধতা নিশ্চিত কৰিবলৈ অতিৰিক্ত সমৰ্থনকাৰী প্ৰমাণ বিচাৰে।

৩০) সুকান্তি মহৰানা বনাম উৰিষ্যা চৰকাৰ গোচৰত, (২০০৯) ৯ এছ.চি.চি ১৬৩ উচ্চতম ন্যায়ালয়ে মতপোষণ কৰে যে চিকিৎসকে লিপিবদ্ধ কৰা আৰু মৃত ব্যক্তিজনৰ স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ নথকা, মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীক সন্দেহ বা নিৰ্ভৰ নকৰাটো উচিত নহয়। যদিহে এনে জবানবন্দী সত্য হয় আৰু মৃত ব্যক্তিয়ে স্বেচ্ছাই কৰে তেন্তে ইয়াক নিৰ্ভৰযোগ্য আৰু গ্ৰহণযোগ্য বুলি গণ্য কৰিব পাৰি। স্বেচ্ছাই

কৰা বুলি ধৰিব পাৰি। সুকান্ত মহৰাণা (উপৰোক্ত) গোচৰত উচ্চতম ন্যায়ালয়ে ৰায়দানৰ ৩২ আৰু ৩৩ নং দফা তলত পুনৰ উল্লেখ কৰা হ’ল:—

“৩২) মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীক লিপিবদ্ধ কৰা চিকিৎসকজনক সাক্ষী হিচাপে পৰীক্ষা কৰা হৈছিল আৰু তেওঁ নিজৰ জবানবন্দীত স্পষ্টভাৱে উল্লেখ কৰিছিল যে উল্লেখিত জবানবন্দী দিওঁতে মৃত ব্যক্তিজন সচেতন আৰু এনে জবানবন্দী দিবলৈ উপযুক্ত মানসিক অৱস্থাত আছিল। সেয়েহে উল্লেখিত স্থিতিয়ে স্পষ্ট কৰি দিয়ে যে ওপৰত উল্লেখিত মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীটোৰ ওপৰত নিৰ্ভৰ কৰিব পৰা যাব কাৰণ জবানবন্দীটো সত্যভাৱে লিপিবদ্ধ কৰা হৈছিল আৰু উক্ত জবানবন্দীটোয়ে ঘটনাটো কেনেদৰে সংঘটিত হৈছিল তাৰ এক স্পষ্ট বিৱৰণ দিছিল।

৩৩) আপীলকাৰীৰ হৈ উপস্থিত থকা অধিবক্তাই মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী সন্দৰ্ভত আন এটা আপত্তি উত্থাপন কৰিছিল যে উক্ত জবানবন্দীত মৃতকৰ স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ লোৱা হোৱা নাছিল। আমাৰ মতে উক্ত আপত্তিটোও ভিত্তিহীন। মৃত লোকজনে যন্ত্ৰণাত দগ্ধ হৈ আছিল। প্ৰায় ৯০ৰ পৰা ৯৫ শতাংশ জ্বলা-পোৰাৰ আঘাতে শৰীৰৰ ৯০ৰ পৰা ৯৫ শতাংশ অংশ সামৰি লৈছিল। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অনুসৰি তেওঁৰ বুঢ়া আঙুলিটো জ্বলি যোৱাৰ বাবে বেণ্ডেজ আছিল। এনে পৰিস্থিতিত, মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীত চহী বা বাওঁ হাতৰ বুঢ়া আঙুলিৰ ছাপ লোৱাটো সম্ভৱ নাছিল। সত্য, স্বেচ্ছামূলক আৰু শুদ্ধ বুলি পোৱা এখন মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী, কেৱল লিপিবদ্ধ কৰা ব্যক্তিজনে মৃতকৰ স্বাক্ষৰ বা বাওঁ বুঢ়া আঙুলিৰ ছাপ লোৱা নাছিল বা ল’ব নোৱাৰাৰ বাবেই প্ৰত্যাখ্যান কৰাৰ কোনো কাৰণ নাই। এবাৰ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী সঁচা, স্বেচ্ছাই কৰা আৰু বিশ্বাসযোগ্য বুলি গম পোৱাৰ পিছত বিশ্বাস আৰু নিৰ্ভৰ নকৰাৰ কোনো কাৰণ নাই। এই গোচৰত, ই. ডব্লিউ-১(E.W.-1) আৰু পি. ডব্লিউ-৩ (P.W.-3)ৰ পূৰ্বে ওপৰত উল্লেখিত মৃতকৰ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী, চিকিৎসাৰ প্ৰমাণ আৰু এফ. আই. আৰত থকা তথ্যৰ দ্বাৰাও সমৰ্থন কৰা হয়।”

৩১) ওপৰত উল্লেখ কৰা বিভিন্ন মতামতৰ পৰা এইটো স্পষ্ট হয় যে মৃতকৰ স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ নথকা লিপিবদ্ধ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী অভিযুক্তক দোষী সাব্যস্ত কৰাৰ বাবে বিশ্বাস আৰু নিৰ্ভৰ কৰিব পাৰি, যদিহে জবানবন্দীটো সত্য, স্বেচ্ছাই

কৰা আৰু আদালতৰ আস্থা জগাই তোলা বিধৰ হয়। এই গোচৰত, মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰা চিকিৎসকজনক সাক্ষী হিচাপে সোধপোছ কৰা হৈছিল আৰু তেওঁৰ জেৰাত তেওঁ উল্লেখ কৰিছে যে জবানবন্দীটো লিপিবদ্ধ কৰাৰ সময়ত জখমীৰ মন সুস্থ আছিল বুলি জবানবন্দীত উল্লেখ কৰা হোৱা নাছিল। তেওঁ অস্বীকাৰ কৰে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰাৰ সময়ত মৃত ব্যক্তিজনৰ কথা ক'ব পৰা অৱস্থাত নাছিল। তেওঁ লগতে অস্বীকাৰ কৰে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীৰ কথাখিনি মৃতকে নিজে উল্লেখ কৰা নাছিল। ওপৰৰ তথ্যসমূহে স্পষ্টকৈ দেখুৱাইছে যে অভিযোজন সাক্ষী–৬, চিকিৎসকজনক কৰা অন্তৰ্নিহিত প্ৰমাণৰ জৰিয়তে/ বা পৰোক্ষভাৱে নিশ্চিত কৰিছিল যে মৃত্যুৰ ঘোষণা কৰাৰ সময়ত মৃতকজন মানসিকভাৱে সুস্থ আছিল। চিকিৎসকজনৰ উপৰিও মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰাৰ সময়ত থকা অভিযোজন সাক্ষী–৭ এ তেওঁৰ জেৰাত মৃতকে কথা ক'ব নোৱাৰা অৱস্থাত আছিল বা মৃতকে কোৱাৰ দৰে জবানবন্দী লিপিবদ্ধ কৰা নাই বুলি কোৱা কথা অস্বীকাৰ কৰে । এই কথাটো বিবেচনা কৰিলে যে– মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দী এজন চিকিৎসকে লিপিবদ্ধ কৰিছিল, যিয়ে মৃতকৰ চিকিৎসা কৰি আছিল আৰু যিদৰে চিকিৎসক জনে অনুমানৰ দ্বাৰা আৰু/বা তেওঁৰ জেৰাত অন্তৰ্নিহিতভাৱে প্ৰমাণিত কৰিছে যে মৃত ব্যক্তিজন কথা ক'ব পৰা অৱস্থাত আছিল আৰু মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীটো দিছিল, আমি মতপোষণ কৰো যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি। তদুপৰি, সুকান্তি মহাৰাণাৰ গোচৰত (উপৰোক্ত) উচ্চতম ন্যায়ালয়ে মতপোষণ কৰিছে যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীক অৱজ্ঞা কৰা উচিত নহয় যদিহে মৃতকৰ স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ অবিহনেও সত্য, স্বেচ্ছামূলক আৰু সঠিক বুলি নিৰ্ণয় কৰা হয়। সেয়েহে, আমি আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ বাবে মৃতকৰ মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীৰ ওপৰত নিম্ন আদালতে সঠিকভাৱে নিৰ্ভৰ কৰা সিদ্ধান্তক সমৰ্থন কৰোঁ।

৩২) ওপৰৰ কথাখিনিৰ উপৰিও মৃত্যুৰ প্ৰাকমুহূৰ্তৰ মৌখিক জবানবন্দী অভিযুক্ত দোষী সাব্যস্ত হোৱাৰ ভিত্তি গঠন কৰিব পাৰে, যদিহে জবানবন্দী দিওতাজন কথা ক'ব পৰা অৱস্থাত থাকে, যদিহে ই সত্য আৰু শুদ্ধ হয়। যদিও আদালতে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ মৌখিক জবানবন্দীৰ বাবে সমৰ্থন দাবী নকৰিবও পাৰে, কিন্তু জবানবন্দীৰ নিৰ্ভৰযোগ্যতা শক্তিশালী কৰিবলৈ আদালতে অতিৰিক্ত প্ৰমাণ বিচাৰিব লাগে। মৃত্যুৰ

প্ৰাকমুহূৰ্তৰ জবানবন্দী লিপিবদ্ধ কৰা চিকিৎসকজন এজন স্বতন্ত্ৰ আৰু আগ্ৰহহীন সাক্ষী। সঁচা কথা কৈ তেওঁ যে কাৰোবাৰ লাভ কৰিব বা কাৰোবাৰ ক্ষতি হোৱাটো বিচাৰিব, সেইটো দেখুৱাব পৰা একোৱেই নাই। এই দৃষ্টিকোণৰ পৰা আমি এই সিদ্ধান্তত উপনীত হওঁ যে এই গোচৰত চিকিৎসকে লিপিবদ্ধ কৰা মৃত্যুৰ ঘোষণা, মৃত ব্যক্তিজনৰ স্বাক্ষৰ বা বুঢ়া আঙুলিৰ ছাপ নথকা সত্বেও অভিযুক্তক দোষী সাব্যস্ত কৰাৰ ভিত্তি হ'ব পাৰে। কিয়নো আমি সন্তুষ্ট যে এই ঘোষণা সত্য আৰু স্বেচ্ছাই কৰা হৈছিল। আমি এই বুলিও মতপোষণ কৰো যে মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীৰ ওপৰত কোনো সমৰ্থন অবিহনে নিৰ্ভৰ কৰিব পাৰি।

৩৩) আপীলকাৰীয়ে মৃতকক হত্যা কৰিবলৈ আগতীয়াকৈ পৰিকল্পনা কৰিছিল নেকি সেই বিষয়টো ভাৰতীয় দণ্ডবিধি আইনৰ ২৯৯ আৰু ৩০০ নং ধাৰাত বিবেচনা কৰিব লাগিব। দোষবহ নৰবধ (culpable homocide) এক হত্যা হ'বলৈ হ'লে আচামীৰ কাৰ্য্য ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০০ৰ প্ৰথমৰ পৰা চতুৰ্থ দফাৰ ভিতৰত পৰিব লাগিব। তদুপৰি, ই ধাৰা ৩০০ৰ ব্যতিক্ৰম ১ৰ পৰা ৫ৰ অন্তৰ্গত হ'ব নালাগে। বৰ্ত্তমানৰ গোচৰটোত, মৃত্যুৰ প্ৰাকমুহূৰ্তৰ জবানবন্দীত মৃতকে চৌকিদাৰৰ ঘৰত বহি থকাৰ সময়তে মৃতকৰ মূৰত পিছফালৰ পৰা বাৰে বাৰে দাৰে আঘাত কৰা হৈছিল তাৰ পিছত আপীলকাৰীয়ে অভিযোগ উত্থাপন কৰিছিল যে মৃতকে আপীলকাৰীৰ পত্নীৰ সৈতে পলায়ন কৰিছিল আৰু নিজৰ পুত্ৰক লগত লৈ গৈছিল। ওপৰৰ কথাখিনিৰ পৰা দেখা যায় যে, আপীলকাৰীৰ মৃতকক হত্যা কৰাৰ পূৰ্ব পৰিকল্পনা আৰু উদ্দেশ্য আছিল। এইদৰে, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০০ ৰ ব্যতিক্ৰম ধাৰা ১ৰ পৰা ৫লৈকে এই গোচৰৰ তথ্যৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি কব পৰা নাযায়। সেই অনুসৰি ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০০ৰ অধীনত আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত নিম্ন আদালতে লোৱা সিদ্ধান্তত আমি কোনো দুৰ্বলতা দেখা নাপাওঁ।

৩৪) সেই অনুসৰি আপীল খাৰিজ কৰা হয়।

৩৫)এল. চি. আৰ. (LCR) ঘূৰাই পঠিওৱা হওক।

৩১) বিজ্ঞ ন্যায়মিত্ৰই আগবঢ়োৱা সহায় সহযোগিতাৰ শলাগ লৈ তেখেতক দিবলগীয়া উপযুক্ত মাননি ৰাজ্যিক আইনী সেৱা কৰ্তৃপক্ষই প্ৰদান কৰিব।

অনুবাদক–কংকনা বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।"